# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-12-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম লোকসেৱা আয়োগে আজি সংযুক্ত প্ৰতিযোগীতামূলক পৰীক্ষা-২০২৩ৰ ফলাফল ঘোষণা কৰে। আয়োগে অসামৰিক সেৱা, অসম আৰক্ষী সেৱা আৰু সংলগ্ন সেৱাৰ মুঠ ২৩৫ গৰাকী প্ৰাৰ্থী নিযুক্তিত অনুমোদন দিছে। চিৰঞ্জীৱ ফুকনে ৮৭২ নম্বৰেৰে প্ৰথম স্থান লাভ কৰে। এনিশা বুঢ়াগোহাঁইয়ে ৮২৩ নম্বৰ লাভ কৰি মহিলা প্ৰাৰ্থীৰ ভিতৰত প্ৰথম স্থান দখল কৰে। হিমাদ্ৰি জিতা বৰাই তৃতীয় স্থান আৰু মৃগাক্ষী বৰুৱাই চতুৰ্থ স্থান লাভ কৰে। পঞ্চম স্থান দখল কৰে টুটুমণি কাকতিয়ে। প্ৰথম দহৰ ভিতৰত থকা আন স্থানপ্ৰাপক সকলৰ ভিতৰত আছে মৃদুস্মিতা ৰয়, মেৰী কলিতা, দীক্ষা সৰকাৰ, নিলম গাৰ্গ আৰু অংকিতা ছেত্ৰী। উল্লেখযোগ্য যে প্ৰথমবাৰৰ বাবে এই পৰীক্ষাত মৰাণ আৰু মটক জনগোষ্ঠীৰ বাবে পদ সংৰক্ষণ কৰা হৈছে। মুঠ ২৩৫ গৰাকী প্ৰাৰ্থীৰ ভিতৰত অসামৰিক সেৱাৰ ৪৫ জন, অসম আৰক্ষী সেৱাৰ ৩৫ জন, অসম লেখ সেৱাৰ ১০৭ জন, হিচাপ পৰিক্ষণৰ ১১ জন, কৰ অধীক্ষকৰ এজন, আবকাৰী অধীক্ষকৰ এজন, অসম বিত্ত সেৱাৰ ১৩ জন, খণ্ড উন্নয়ন বিষয়াৰ ৬ জন, সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়কৰ ৪ জন, কৰ পৰিদৰ্শকৰ ৪ জন, শ্ৰম পৰিদৰ্শকৰ ৪, সহকাৰী নিয়োগ বিষয়াৰ এজন আৰু উপ-পঞ্জীয়কৰ ৩ জন প্ৰাৰ্থীক নিযুক্তিৰ বাবে আয়োগে আজি অনুমোদন দিছে।

নিযুক্তিৰ বাবে আয়োগে অনুমোদন দিয়া ২৩৫ গৰাকীৰ ভিতৰত কামৰূপ মহানগৰ জিলাৰ ৩৭, নগাঁও জিলাৰ ১৯, কামৰূপ জিলাৰ ১৮, ডিব্ৰুগড় জিলাৰ ১৩ আৰু লখিমপুৰ জিলাৰ ১২ গৰাকী প্ৰাৰ্থী আছে। বৰপেটা, তিনিচুকীয়া আৰু যোৰহাট জিলাৰ ১১ গৰাকীকৈ আৰু বিশ্বনাথ, শিৱসাগৰ আৰু শোণিতপুৰ জিলাৰ ৮ গৰাকীকৈ প্ৰাৰ্থী আছে। ৭ গৰাকীকৈ প্ৰাৰ্থী ধেমাজি, ডিমা হাচাও, গোলাঘাট, নলবাৰী আৰু ওদালগুৰি জিলাৰ। চৰাইদেউ আৰু কাছাৰ জিলাৰ ৬ গৰাকীকৈ আৰু দৰং আৰু বাক্সা জিলাৰ ৫ গৰাকীকৈ প্ৰাৰ্থীৰ নিযুক্তিত আয়োগে অনুমোদন দিছে। ৩ গৰাকীকৈ প্ৰাৰ্থী কোকৰাঝাৰ, গোৱালপাৰা, হোজাই আৰু পশ্চিম কাৰ্বি আংলঙৰ। বঙাইগাঁও, চিৰাং, কাৰ্বি আংলং আৰু মৰিগাঁও জিলাৰ দুগৰাকীকৈ আৰু বজালী আৰু শ্ৰীভূমি জিলাৰ এগৰাকীকৈ প্ৰাৰ্থীৰ নিযুক্তিত আয়োগে অনুমোদন দিছে।

০০০০০

নতুন দিল্লীৰ প্ৰগতি ময়দানৰ ভাৰত মণ্ডপমত কাইলৈৰ পৰা তিনিদিনীয়াকৈ অষ্টলক্ষ্মী মহোৎসৱ অনুষ্ঠিত হ'ব। উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়, উত্তৰ পূব হস্তশিল্প আৰু হস্ততাঁত উন্নযন নিগম লিমিটেড আৰু ইনভেষ্ট ইণ্ডিয়াই প্ৰথম বাৰৰ বাবে আয়োজন কৰা এই মহোৎসৱত উত্তৰ পূৰ্বাঞ্চলৰ শিল্প কলা, চহকী বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰা হ'ব। অষ্টলক্ষ্মী ৰূপে পৰিচিত উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যই দেশৰ সামাজিক, সংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এই মহোৎসৱৰ সময়ছোৱাত বিভিন্ন ক্ষেত্ৰত অঞ্চলটোৰ অপাৰ সম্ভাৱনা আৰু জীৱন্ত সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি

ভালেমান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ অংশ হিচাপে অসমৰ প্ৰিয়ংকা ডি পাটোৱাৰী, অৰুণাচল প্ৰদেশৰ জেঞ্জুম গড়ি, মেঘালয়ৰ ডেনিয়েল চিয়েম, মণিপুৰৰ ৰিছানা খুনমাঙ্গেমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ভালেকেইগৰাকী আগশাৰীৰ ডিজাইনাৰৰ ফেশ্বন শ্ব'ৰো দিহা কৰা হৈছে।

ooooo

দৰং জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত জিলাখনৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়াৰ কাৰ্যালয়ৰ সহযোগত অহা ৮ ডিচেম্বৰৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে উপ-ৰাষ্ট্ৰীয় পলিঅ' দিৱস উদযাপন কৰা হ'ব। এই কাৰ্যসূচীৰ অধীনত জিলাখনৰ ৫ বছৰ তলৰ এক লাখ ৪০ হাজাৰ ৭১৩টা শিশুক ৮৫৭টা কেন্দ্ৰত প্ৰতিষেধক দিয়া হ'ব। ইতিমধ্যে ৩৪৯ গৰাকী এ এন এম, এহেজাৰ ১০ গৰাকী আশাকৰ্মী, এহেজাৰ ১১৯ গৰাকী অংগনৱাড়ী কৰ্মী, ২১১ গৰাকী পৰিদৰ্শক আৰু ২৯১ গৰাকী স্বেচ্ছাসেৱকক এই কাৰ্যসূচীত নিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে ৮ ডিচেম্বৰত মঙলদৈ অসামৰিক চিকিৎসালয়ৰ চৌহদত উপ-ৰাষ্ট্ৰীয় পলিঅ' দিৱসৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ooooo

বৰপেটা জিলাত আজি স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনি উন্নীতকৰণ আৰু জনসাধাৰণৰ মানসম্পন্ন স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ উদ্যোগত ৰূপায়িত স্বাস্থ্য সেৱা উৎসৱৰ তৃতীয় পৰ্যায়ৰ সামৰণি পৰে। জিলাখনত বিভিন্ন পৰ্যায়ৰ মুঠ ৬৮খন চিকিৎসালয় আৰু স্বাস্থ্য কেন্দ্ৰক এই উৎসৱক সামৰি লোৱা হয়। স্বাস্থ্য সেৱা উৎসৱৰ অন্তিম দিনা ভাৰতীয় অসামৰিক সেৱা, ভাৰতীয় বন সেৱা আদিকে ধৰি বিভিন্ন পৰ্যায়ৰ বিষয়াই কেইবাখনো চিকিৎসালয় আৰু স্বাস্থ্য কেন্দ্ৰত বহিঃমূল্যায়ক হিচাপে উপস্থিত থাকে। ইয়াৰ উপৰি চিকিৎসা মহাবিদ্যালয়ৰ ভালেসংখ্যক জ্যেষ্ঠ অধ্যাপকেও বহিঃমূল্যায়ক হিচাপে চিকিৎসালয়বোৰ মূল্যায়ন কৰে। তেওঁলোকে চিকিৎসালয়ৰ স্বাস্থ্য কেন্দ্ৰবোৰৰ আন্তঃগাঁথনি, চিকিৎসক আৰু স্বাস্থ্যকৰ্মীয়ে ৰোগীৰ প্ৰতি আগবঢ়োৱা সেৱা আদি সকলো দিশৰ পৰ্যবেক্ষণ কৰে।

চিৰাঙতো আজি স্বাস্থ্য সেৱা উৎসৱৰ তৃতীয় পৰ্যায়ৰ সামৰণি পৰে। ইয়াৰ অংশ হিচাপে বিগত তিনি দিনত জিলাখনৰ মুঠ ৩৪টা কেন্দ্ৰত মূল্যায়ন কৰা হয়।

ooooo

সমাপ্ত